বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## ২০২৬ চনৰ যুক্তৰাজ্যৰ জলছা ছালানা উপলক্ষে স্বেচ্ছাসেৱক আৰু অতিথি সকললৈ অমূল্য উপদেশ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৪ জুলাই ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

আল্লাহ তা'লাৰ অনুগ্ৰহত আজি জলছা ছালানা যুক্তৰাজ্য (UK) আৰম্ভ হৈছে। দেশৰ প্ৰতিটো প্ৰান্তৰ পৰা আৰু বিশ্বৰ বিভিন্ন দেশৰ পৰা অতিথি সকল ইয়াত অংশগ্ৰহণ কৰিবলৈ আহিছে বা আহি পাইছে। এইসকল সকলো হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ অতিথি, যিসকল এক বিশেষ ধৰ্মীয় উদ্দেশ্য লৈ ইয়ালৈ আহিছে। গতিকে, এই অতিথি সকলৰ আতিথ্য সোধা কাৰ্যই এক বিশেষ সন্মান ধাৰণ কৰে।

আল্লাহ তা'লাৰ অনুগ্ৰহত বিশ্বৰ যিবোৰ দেশত জলছা ছালানা অনুষ্ঠিত হয়, তাৰ শিশু, যুৱক, পুৰুষ আৰু মহিলাসকলে এই কথা উপলব্ধি কৰে যে আমি জলছাৰ অতিথি সকলৰ সেৱা কৰিব লাগিব আৰু ইয়াৰ বাবে সকলোৱে নিজকে স্বেচ্ছাসেৱক হিচাপে আগবঢ়াই দিয়ে। জগতৰ মানুহৰ অগ্ৰাধিকাৰসমূহ সলনি হোৱা সত্বেও, জামাতৰ নিষ্ঠাবান সদস্যসকলে হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ অতিথি সকলৰ সেৱাৰ বাবে নিজকে উৎসৰ্গা কৰিছে।

এওঁলোক এনেকুৱা লোক যিসকলে উপলব্ধি কৰে যে আল্লাহ তা'লাই অতিথিৰ সেৱা, আদৰ আৰু সন্মান কৰাৰ নিৰ্দেশ দিছে। মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে নিজৰ কৰ্ম আৰু বাণীৰ জৰিয়তে এই বিষয়ে শিক্ষা দিছে। হজৰত মছীহ মাওউদ আলাইহিচ্ছালামেও এই দিশত বাৰে বাৰে মনোযোগ আকৰ্ষণ কৰিছে।

মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে কৈছে যে যিসকলে আল্লাহ আৰু শেষ বিচাৰৰ দিনৰ প্ৰতি ঈমান আনে, তেওঁলোকে অতিথিৰ প্ৰাপ্য অধিকাৰ আদায় কৰে বা কৰা উচিত। সোধা হ'ল যে প্ৰাপ্য অধিকাৰ কি? তেখেতে কৈছে যে এদিন আৰু এৰাতিৰ আতিথ্য। আন এঠাইত এনে ধৰণৰো বৰ্ণনা পোৱা যায় যে তিনি দিনলৈকে অতিথি সৎকাৰ কৰক। এয়া বিশেষ অতিথিসকলৰ বাবে, যিসকল সাধাৰণতে মানুহৰ ঘৰলৈ আহে, কেইটামান দিনৰ বাবে

আহে। সাধাৰণ অৰ্থত যেতিয়া কোনো অতিথি আহে, তেতিয়া তেওঁক অতিথি সৎকাৰ কৰা উচিত, মুছলমানসকলৈ এয়াই নিৰ্দেশ।

আজিকালি জলছাৰ দিনবোৰত যিসকল অতিথি আহি আছে, তেওঁলোকে দূৰ-দূৰণিৰ পৰা ভ্ৰমণ কৰি আহিছে, বিভিন্ন দেশৰ পৰা আহিছে। তেওঁলোক তিনিদিনতকৈও অধিক সময় থাকিব। জামাতৰ ব্যৱস্থাৰ অধীনত তেওঁলোক যিমান দিনেই নাথাকক কিয়, তিনিৰ পৰা চাৰি সপ্তাহ বা দুইৰ পৰা তিনি সপ্তাহ, জামাতে তেওঁলোকৰ অতিথি সৎকাৰ কৰে। ইয়াৰ বাবে আল্লাহ তা'লাৰ মহৎ অনুগ্ৰহ যে জামাতৰ ওচৰত তেওঁলোকৰ অতিথি সৎকাৰ কৰিবলৈ ইমান বৃহৎ সংখ্যক কৰ্মী উপলব্ধ, যিসকল বেতনভোগী কৰ্মী নহয়। তিনিৰ পৰা চাৰি সপ্তাহলৈকে স্বেচ্ছাসেৱকসকলে এই উদ্দেশ্যৰ বাবে নিজকে উৎসৰ্গা কৰে। আনকি ইয়াত যুক্তৰাজ্যত (UK) অতিথি সৎকাৰৰ ইমান বিস্তৃত ব্যৱস্থা হৈ পৰিছে যে গোটেই বছৰজুৰি হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামৰ লংগৰ (অতিথিৰ বাবে খাদ্য ব্যৱস্থা) চলি থাকে। কাৰণ ইয়াত খিলাফত উপস্থিত আছে আৰু যুগৰ খলিফাৰ উপস্থিতিৰ বাবে মানুহৰ ইয়ালৈ অহা-যোৱা অতি বেছি আৰু ইয়াৰ বাবেই অতিথি সৎকাৰো কৰিবলগীয়া হয়। আল্লাহ তা'লাই এই সকলোকে উত্তম প্ৰতিদান দিয়ক।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামে কৈছে যে অতিথিৰ অনুভূতি অতি সূক্ষ্ম আৰু সংবেদনশীল, সেয়েহে সদায়ে তেওঁলোকৰ যত্ন লোৱা উচিত। গতিকে আমি এই কথাটোও পাহৰা উচিত নহয় যে আমি অতিথিসকলক সকলো ধৰণে সেৱা কৰিব লাগে। যদি আমি নিজকে এই কামত নিয়োজিত কৰিছোঁ, তেন্তে আল্লাহ তা'লাৰ সন্তুষ্টি লাভ কৰিবলৈ এই কৰ্তব্য পালনৰ যথাসম্ভৱ চেষ্টা কৰা উচিত, যাতে এই সেৱাৰ প্ৰতিদান স্বৰূপে আল্লাহ তা'লাও আমাৰ প্ৰতি সন্তুষ্ট হয়। যিমানদূৰ সম্ভৱ আমি মছীহ-ই-মহম্মদীৰ অতিথিসকলৰ সেৱাৰ অধিকাৰ আদায় কৰা উচিত।

আমাৰ কৰ্মীসকলে যি অতিথি সৎকাৰ কৰে বা আমাৰ জলছাৰ যি ব্যৱস্থাপনা থাকে, এই ব্যৱস্থাসমূহৰ দ্বাৰা বাহিৰৰ পৰা অহা জামাতৰ বাহিৰৰ আৰু অ-মুছলিম অতিথিসকলো প্ৰভাৱিত হয়। তেওঁলোকে এইটো দেখি আচৰিত হয় যে কৰ্মীসকলৰ এটা সম্পূৰ্ণ ব্যৱস্থা ইয়াত পৰিচালনা কৰা হৈছে, য'ত যাতায়াত (traffic) ব্যৱস্থা, আহাৰ যোগানৰ ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা, ৰান্ধনীৰ ব্যৱস্থা, পানী যোগানৰ ব্যৱস্থা, অৰ্থাৎ অগণন বিভাগসমূহ আছে, যিসমূহত আল্লাহ তা'লাৰ অনুগ্ৰহত জামাতৰ স্বেচ্ছাসেৱকসকলে কাম কৰি আছে। বাহিৰৰ লোকসকলে ইয়াকে দেখি অতি প্ৰভাৱিত হয়। এইটোও ধৰ্মপ্ৰচাৰৰ (তবলীগৰ) এটা মাধ্যম।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামে অতিথিসকলক কিমান পৰিমাণে সেৱা কৰিছিল বা তেওঁলোকৰ যত্ন লৈছিল! এটা ৰিৱায়তত (বৰ্ণনাত) উল্লেখ পোৱা যায় যে তেখেতে অতিথিসকলৰ অতি যত্ন লৈছিল। হাফিজ হামিদ আলী চাহেব ৰাজিয়াল্লাহু আনহুক লংগৰৰ অতিথিসকলৰ যত্ন ল'বলৈ নিযুক্ত কৰা হৈছিল, গতিকে তেখেতে (হজৰত মছীহ মাওউদ আঃ) তেওঁক মনোযোগ আকৰ্ষণ কৰাইছিল যে এই অতিথিসকলৰ বিশেষ যত্ন ল'বা। সাধাৰণ দিনবোৰত অতিথিসকলৰ মৰ্যাদা অনুসৰি তেওঁলোকৰ সেৱাও কৰিবা।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামৰ অতিথি পৰায়ণতা সম্পৰ্কে বহুতো ঘটনা পোৱা যায়, যিবোৰে তেখেত (আঃ)ৰ স্নেহ, দায়িত্ববোধ আৰু অতিথিসকলৰ প্ৰতি উত্তম ব্যৱহাৰৰ শ্ৰেষ্ঠ নিদৰ্শন দাঙি ধৰে। হজৰত ডক্টৰ হাশ্বমত উল্লাহ চাহেব ৰাজিয়াল্লাহু আনহুৱে বৰ্ণনা কৰে যে জলছাৰ সময়ত জামাতী বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে তেওঁ আহাৰ গ্ৰহণ কৰিব নোৱাৰিলে। বৈঠক শেষ হোৱাৰ পিছত যেতিয়া তেওঁ নিশা দেৰিকৈ লংগৰখানাত পালেগৈ, তেতিয়া খাদ্য শেষ হৈ গৈছিল। কেৱল ৰুটীৰ এটুকুৰাহে আছিল, যিটো তেওঁ খাবলৈ ধৰিলে। এনে সময়তে দুৱাৰত

টোকৰ পৰিল আৰু ঘোষণা কৰা হ'ল যে যদি কোনো অতিথি ভোকাতুৰ হৈ আছে, তেন্তে লংগৰখানালৈ আহি আহাৰ গ্ৰহণ কৰক। পৰৱৰ্তী দিনা হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে কলে যে নিশা আল্লাহ তা'লাই ইলহাম (ঐশী বাণী) প্ৰদান কৰিলে:

يَا أَيُّهَا النَّبِيُّ أَطْعِمُوا الْجَائِعَ وَالْمُعْتَرَّ। (অৰ্থাৎ: হে নবী! ভোকাতুৰ আৰু প্ৰয়োজনগ্ৰস্তসকলক আহাৰ খুওৱা।)

এই ঘটনাৰ পৰা জানিব পৰা যায় যে আল্লাহ তা'লাই তেওঁৰ অতিথিসকলৰ কষ্টও অনুভৱ কৰে; সেয়েহে জলছাৰ প্ৰশাসনে সদায় এই কথা মনত ৰখা উচিত যে যিসকল অতিথি ভ্ৰমণৰ বাবে দেৰিকৈ উপস্থিত হয় বা কোনো বাধ্যবাধকতাৰ বাবে সময়মতে আহাৰ গ্ৰহণ কৰিব নোৱাৰে, তেওঁলোকৰ বাবেও উপযুক্ত আৰু সতেজ খাদ্যৰ ব্যৱস্থা থাকিব লাগে।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে এই বুলিও কৈছিল যে মোৰ অনুগামীসকল দুখীয়া হওক বা চহকী, সকলো মোৰ ওচৰত সমান; সেয়েহে যদি মাংস আৰু পোলাও ৰন্ধা হয়, তেন্তে সকলোকে সমভাৱে দিব লাগে, আৰু যদি দাইল হয়, তেন্তে সেয়াও সকলোকে সমভাৱে দিব লাগে। এই শিক্ষাৰ পৰা সমতা, ন্যায় আৰু ভাতৃত্ববোধৰ এক উচ্চ মানদণ্ড প্ৰতিষ্ঠা হয়।

হুজুৰ আনোৱাৰে কৈছে যে এইবোৰ হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামৰ পদ্ধতি আছিল, তেখেত (আঃ)ৰ শৈলী আছিল, তেখেতৰ উপদেশ দিয়াৰ ধৰণ আছিল আৰু তেখেতৰ অতিথি পৰায়ণতাৰ পদ্ধতি আছিল। যিয়েই নহওক, অতিথিসকলেও এই কথা মনত ৰখা উচিত যে লংগৰৰ ব্যৱস্থাৰ অধীনত যি খাদ্য ৰন্ধা হয়, যিয়েই পোৱা যায়, তাক ধৈৰ্য আৰু কৃতজ্ঞতাৰে খোৱা উচিত। যেতিয়া আপোনালোক ইয়ালৈ হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱা ছালামৰ আহ্বানত আহিছে আৰু এই উদ্দেশ্যৰে আহিছে যে আমি ইয়াত আধ্যাত্মিক আহাৰ লাভ কৰিম, তেন্তে আধ্যাত্মিক আহাৰৰ প্ৰতিহে অধিক মনোযোগ থকা উচিত; আৰু যদি আহাৰত কোনো নাটনি বা অভাৱ হয়, তেন্তে তাক সহ্য কৰা উচিত আৰু কোনো দাবী কৰা উচিত নহয়। সেয়েহে অতিথিসকলেও এই কথা মনত ৰখা উচিত যে এই তিনি দিনত যি পোৱা যায়, তাক ধৈৰ্য আৰু কৃতজ্ঞতাৰে খাই লওক আৰু এনেধৰণৰ কোনো প্ৰকাশ নকৰক যে 'এই বস্তু আমাৰ পছন্দ নহয় আৰু আমি নাখাওঁ'।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ অতিথিসকলক পৰিবেশন কৰা খাদ্যৰ মানদণ্ড সম্পৰ্কে সাৱধানতামূলক এক বৰ্ণনা দাঙি ধৰাৰ পিছত হুজুৰ আনোৱাৰে নিৰ্দেশ দিলে যে খাদ্য ৰন্ধাৰ দায়িত্বত থকা কাৰ্যকৰ্তাসকলেও সাৱধানতা অৱলম্বন কৰা উচিত। বিশেষকৈ আজিকালি যিহেতু গৰমৰ দিন, সেয়েহে খাদ্যৰ ব্যৱস্থা এনেকুৱা হ'ব লাগে যাতে খাদ্য সঠিকভাৱে সংৰক্ষিত হৈ থাকে আৰু বেছি সময় ধৰি পৰি নাথাকে। বিশেষকৈ দাইল আদি, যিবোৰ সোনকালে নষ্ট বা পচি যায়, তাক বেছি সময় ৰাখি অতিথিসকলক খুৱাব নালাগে। এই বিষয়ে মনত ৰাখিব লাগে আৰু প্ৰথমে খাদ্যখিনি ভালদৰে পৰীক্ষা কৰি লোৱা উচিত। আটাইতকৈ মূল কথাটো সদায় মনত ৰাখিব যে যি পুণ্য উদ্দেশ্য লৈ আপোনালোক ইয়ালৈ আহিছে, কেৱল সেই উদ্দেশ্যহে আপোনালোকে পূৰণ কৰিব লাগিব। যদি সেয়া নহয়, তেন্তে ইয়াৰ কোনো লাভ নাথাকিব। হজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে ইয়াত নামাজৰ নিয়মীয়া ব্যৱস্থা নিশ্চয় আছে, কিন্তু যিসকল লোকে দীঘলীয়া সময়ৰ বাবে অৱস্থান কৰিছে বা জামাতৰ বাসস্থানত আছে, তেওঁলোকে জলছাৰ পিছতো নামাজৰ প্ৰতি নিয়মীয়া মনোযোগ দিয়া উচিত আৰু জামাতৰ সৈতে নামাজ আদায় কৰাৰ চেষ্টা কৰা উচিত।

এই দিনবোৰত যিসকলে ইয়াত তম্বু (টেন্ট) বা মাৰ্কীত আছে, তেওঁলোক সকলোৱে জনা উচিত যে এই তিনিটা দিনত তাহাজ্জুদৰো ব্যৱস্থা কৰা হয়। তাহাজ্জুদৰ সময়ত যেতিয়া জগাই দিয়া হয়, তেতিয়া সাৰ পোৱা উচিত আৰু

এই বিষয়টোলৈ বিশেষ মনোযোগ দিয়া উচিত। নামাজৰ নিয়মীয়তা নিশ্চিতভাৱে আছে, কিন্তু তাহাজ্জুদ নিয়মীয়াকৈ আদায় কৰিবলৈও বিশেষ চেষ্টা কৰা উচিত।

ইয়াৰ পিছত হজুৰ আনোৱাৰে শুকান বতৰৰ প্ৰতি লক্ষ্য ৰাখি ব্যক্তিগত বা সামূহিক বাসস্থানত যিকোনো ধৰণৰ জুই নজ্বলাবলৈ তাগিদ দি কয় যে, প্ৰতিটো স্থানতে বহি যিকোনো ধৰণৰ ফিৰিঙতিৰ পৰা বিৰত থাকক আৰু সাৱধানতা অৱলম্বন কৰক, কাৰণ ইয়াৰ বাবে ডাঙৰ দুৰ্ঘটনাও সংঘটিত হ'ব পাৰে।

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ গুৰুত্বৰ ওপৰত জোৰ দি হজুৰ আনোৱাৰে কয় যে যদিও প্ৰশাসনে শৌচাগাৰ, স্নানাগাৰ আৰু অন্যান্য স্থানসমূহ পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰে, তথাপিও প্ৰতিগৰাকী অতিথি আৰু কৰ্মীৰ দায়িত্ব যে ব্যৱহাৰৰ পিছত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব। হাদিছ অনুসৰি পৰিষ্কাৰ-পৰিচ্ছন্নতা ঈমানৰ (বিশ্বাসৰ) এক অন্যতম অংশ। যেতিয়া আপোনালোক জলছালৈ ঈমান বৃদ্ধি কৰিবলৈ আহিছে, তেন্তে পৰিষ্কাৰ-পৰিচ্ছন্নতাকো ইবাদত (উপাসনা) বুলি গণ্য কৰি ইয়াৰ বিশেষ ব্যৱস্থা কৰা উচিত। এই দিনকেইটাত প্ৰতিগৰাকী ব্যক্তিয়ে নিজকে একোজন কৰ্মী বুলি ভাবিব লাগে আৰু য'তেই প্ৰয়োজন অনুভৱ হয়, সহায়-সহযোগিতা আগবঢ়াব লাগে।

ইয়াৰ লগতে হজুৰ আনোৱাৰে ঈমানৰ মানদণ্ড উন্নত কৰাৰ প্ৰতিও বিশেষ মনোযোগ আকৰ্ষণ কৰে। আজৰি সময়ত জিকিৰ-আজকাৰ (আল্লাহৰ স্মৰণ), দৰূদ শ্বৰীফ, ইস্তিগফাৰ (ক্ষমা প্ৰাৰ্থনা) আৰু দোৱাত মগ্ন হৈ থাকিব। অপ্ৰয়োজনীয় বাৰ্তালাপ, অৰ্থহীন কাম-কাজ আৰু নিৰৰ্থক কথাৰ পৰা আঁতৰি থাকিব আৰু ধাৰ্মিক আলোচনা তথা জিকিৰ-আজকাৰক নিজৰ নিজৰ সভা বা আড্ডাৰ অংশ কৰি ল'ব। একেদৰে জলছাত আয়োজন কৰা বিভিন্ন প্ৰদৰ্শনীসমূহৰ পৰাও নিশ্চিতভাৱে লাভৱান হওক। এইবোৰক কেৱল চোৱাৰ বস্তু বুলি নাভাবি অতি আগ্ৰহ আৰু মনোযোগেৰে চাওক, কাৰণ ইয়াৰ পৰা শৈক্ষিক, ঐতিহাসিক আৰু ধাৰ্মিক জ্ঞান লাভ কৰিব পৰা যায় আৰু মানুহৰ ঈমান তথা জ্ঞান বৃদ্ধি পায়।

শেষত হজুৰ আনোৱাৰে দোৱা কৰে যে আল্লাহ তা'লাই প্ৰতিগৰাকী অংশগ্ৰহণকাৰীক জলছা ছালানাৰ ধাৰ্মিক, আধ্যাত্মিক আৰু শৈক্ষিক আশীৰ্বাদেৰে পৰিপূৰ্ণ কৰক, এই আশীৰ্বাদসমূহ যেন তেওঁলোকৰ জীৱনত সদায় স্থায়ী হৈ থাকে আৰু তেওঁলোকৰ পৰৱৰ্তী প্ৰজন্মলৈ প্ৰসাৰিত হয়। লগতে আল্লাহ তা'লাই তেওঁলোকক প্ৰতিশ্ৰুত মছীহ (আলাইহিচ্ছলাম)ৰ প্ৰেৰণৰ উদ্দেশ্য পূৰণ কৰোঁতা বনাই তুলক। অধিক উপদেশ দি হজুৰ আনোৱাৰে কয় যে জলছাৰ উদ্বোধনী ভাষণ আৰু অন্যান্য সকলো বক্তৃতা অত্যন্ত মনোযোগ, গভীৰ চিন্তাশীলতা আৰু আন্তৰিকতাৰে শুনিব আৰু তাত প্ৰদান কৰা উপদেশসমূহ পালন কৰিবলৈ চেষ্টা কৰিব। আল্লাহ তা'লাই সকলোকে ইয়াৰ তৌফিক (সামৰ্থ্য) দান কৰক। আমীন।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 24 July 2026

Nazarat Nashor-O-Ishaat Qadian